# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 20-10-2024
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

00000000

ৰাজ্যৰ ৫ টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা বৃদ্ধি পাইছে। বিজেপিয়ে কালি ইয়াৰে ৩ টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰে। সেই অনুসৰি অসমৰ ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। বঙাইগাওঁ, চিদলি, ধলাই, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হব।

000

ৰাজ্যত আজিৰ পৰা মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণ আৰম্ভ হ'ব। তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অধীনত ভূমিহীন লোকক ভূমি প্ৰদান, দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত আবেদন কৰা লোকসকলৰ স্থগিত ৰখা আবেদনসমূহ পুনৰীক্ষণ, নগৰ আৰু কাষৰীয়া অঞ্চলত ৰেহাই প্ৰিমিয়াম হাৰত একচনীয়া পট্টাৰ ম্যাদীকৰণৰ কাম আৰম্ভ কৰা, পূৰ্বৰ গ্ৰাম্য কিন্তু পৰৱৰ্তীকালত নগৰ অঞ্চল হিচাপে ঘোষিত এলেকাত দখলীস্বত্ব থকা ৰায়তক মালিকীস্বত্ব প্ৰদান, প্ৰসাৰিত ৰূপত ভূমিৰ শ্ৰেণী পৰিৱৰ্তন, চাহ অনুদান ভূমিৰ পট্টাৰ শ্ৰেণী পৰিৱৰ্তন আৰু পট্টা প্ৰদান আদি কাৰ্যসূচী হাতত লোৱা হ'ব। এই সেৱাসমূহৰ দ্বাৰা উপকৃত হ'বলৈ sewasetu.assam.gov.in-ত আবেদন কৰিব পাৰিব অথবা নিকটৱৰ্তী ৰাজহুৱা সুবিধা কেন্দ্ৰলৈ গৈ আবেদন প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব।

000

অসম চৰকাৰে ৰাজ্যৰ বিলসমূহ পুনৰ উজ্জিৱীত কৰাৰ উদ্দেশ্যে ৮০০ কোটি টকা ব্যয় সাপেক্ষ এটা অভিলাসী প্ৰকল্প গ্ৰহণ কৰাৰ পৰিকল্পনা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, এছিয় উন্নয়ন  বেংকৰ সহযোগত এই প্ৰকল্প ৰূপায়ণ কৰা হ'ব। এই প্ৰকল্পৰ অধীনত ৪ হাজাৰ হেক্টৰ ভূমি সামৰি বিভিন্ন বিল পুনৰ উজ্জীৱিত কৰি তোলা হ'ব। ৰাজ্য চৰকাৰৰ এই উদ্যমে থলুৱা মাছৰ উৎপাদন  আৰু জল ব্যৱস্থাপনা সহায় কৰিব বুলি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে। বিলসমূহ ৰাজ্যৰ জলজ সম্পদৰ মেৰুদণ্ডস্বৰূপ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে বিলসমূহে বান নিয়ন্ত্ৰণত, ভূগৰ্ভৰ পানীৰ স্তৰ বৰ্তাই ৰখাৰ লগতে নৈৰ প্ৰৱাহ আৰু খহনীয়া নিয়ন্ত্ৰণত সহায় কৰে। বিলসমূহে মীন সম্পদৰ ভড়াল হিচাপেও কাম কৰে বুলি তেওঁ প্ৰকাশ কৰে।

000

বিদেশ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আজি  ইণ্ডোনেছিয়াৰ  ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বিদেশ মন্ত্ৰালয়ে সামাজিক

মাধ্যমযোগে কৈছে যে, দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্ক উন্নীত কৰাৰ ক্ষেত্ৰত এই ভ্ৰমণত গুৰুত্ব আৰোপ কৰা হ'ব। মন্ত্ৰালয়ে এই শপতগ্ৰহণ অনুষ্ঠানত শ্ৰীমাৰ্ঘেৰিটাৰ অংশগ্ৰহণে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে বুলি প্ৰকাশ কৰিছে। ভাৰত আৰু ইণ্ডোনেছিয়াই এইবছৰ দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ আৰু পূব এছিয়াৰ দেশসমূহক গুৰুত্ব প্ৰদানৰ ভাৰতৰ এক্ট ইষ্টৰ নীতিৰ দশকপূৰ্তি উদ্‌যাপন কৰিছে। ইণ্ডোনেছিয়া এক্ট ইষ্টৰ নীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ।

০০০

অসম আৰক্ষীয়ে কৰিমগঞ্জ জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত বাংলাদেশী নাগৰিকৰ অনুপ্ৰৱেশৰ এটা প্ৰচেষ্টা ব্যৰ্থ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। তেঁও কৈছে যে আৰক্ষীয়ে এগৰাকী বাংলাদেশী নাগৰিকক আটক কৰিছে আৰু সীমান্তৰ সিপাৰলৈ ঘুৰাই পঠাইছে। বাংলাদেশী নাগৰিকজনক মহম্মদ আৰিফ বুলি চিনাক্ত কৰা হৈছে। অসম আৰক্ষী অনুপ্ৰৱেশৰ এনে ধৰণৰ প্ৰচেষ্টা ব্যৰ্থ কৰিবলৈ সম্পূৰ্ণৰূপে সাজু বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০

গুৱাহাটীৰ ৰূপনগৰৰ বংশীৰাম বড়ো সমন্বয় ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত আৰু গুৱাহাটী মহানগৰী জিলা শাখাৰ আতিথ্যত কালিৰে পৰা দুদিনীয়াকৈ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উদযাপন কৰা হৈছে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি পুৱাৰ ভাগত ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। উদ্যোক্তাসকলে সমূহ কাৰ্যসূচীতে ৰাইজৰ সহযোগিতা কামনা কৰিছে।

০০০

চতুৰ্থ অসম কমাণ্ডো বাহিনীয়ে চৰাইদেউ জিলাৰ ৰতনপুৰ ড্ৰীমছ ক্লাবৰ তত্বাৱধানত আৰু ৰতনপুৰ গাওঁৰক্ষী বাহিনীৰ সহযোগত আয়োজিত তৃতীয় বাৰ্ষিক উজনি অসম ভিত্তিত স্বৰ্গীয় ৰামপ্ৰসাদ কুকুৰাচোৱা আৰু স্বৰ্গীয় পুস্পা কোঁৱৰ সোঁৱৰণি ফুটবল প্ৰতিযোগিতাৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। ৰতনপুৰ চাহ বাগিছা খেলপথাৰত কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত দলটোৱে নাগালেণ্ডৰ জিহাং ফুটবল দলক ২-০ গলত পৰাজিত কৰে। ২২ চেপ্তেম্বৰৰ পৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনত উজনি অসমৰ লগতে নগালেণ্ড আৰু অৰুণাচলৰ ২২ টা ফুটবল দলে অংশগ্ৰহণ কৰিছিল।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০

বিশিষ্ট শিক্ষাবিদ, লেখক, তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড০ গিৰিশ শৰ্মাৰ কালি সন্ধিয়া দেহাৱসান ঘটে। দীৰ্ঘদিন অসুস্থতাত ভূগি থকা অধ্যাপক শৰ্মা গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি আছিল। ড০ শৰ্মা দৰ্শন বিভাগৰ এগৰাকী খ্যাতিসম্পন্ন তাত্বিক হোৱাৰ লগতে গীতিকাৰ আৰু কবিও আছিল। তেওঁ বিভিন্ন ৰচনাশৈলীৰে অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে।

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰ জিৎ শৰ্মাই অধ্যাপকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ ড০ গিৰিশ শৰ্মাৰ বিয়োগ জাতীয় জীৱনৰ বাবে বৃহৎ ক্ষতি বুলি অভিহিত কৰিছে।

০০০

সমাপ্ত